খণ্ড পৰিচয় ঃ খণ্ড - ২

'সাহিত্য সমালোচনা — প্ৰাচ্য আৰু পাশ্চাত্য' শীৰ্ষক পাঠ্যবিষয়টিৰ এইটো দ্বিতীয় খণ্ড। এই খণ্ডটোত সৰ্বমুঠ সাতটা অধ্যায় অন্তৰ্ভুক্ত হৈছে। এই খণ্ডটোত আমি মূলতঃ পাশ্চাত্য দৃষ্টিভংগীৰে সাহিত্যৰ কেইটামান ধাৰাৰ বিষয়ে বহলাই আলোচনা কৰিম। অৱশ্যে, প্ৰয়োজন সাপেক্ষে প্ৰাচ্যতত্ত্বৰো কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। প্লেটোৰ পৰা আৰম্ভ কৰি বৰ্তমানকালৰ বিভিন্ন পণ্ডিতে পাশ্চাত্যৰ সাহিত্য সমালোচনাৰ ধাৰাটি সমৃদ্ধ কৰি আহিছে। 'কবিতা', 'নাটক', 'উপন্যাস', 'চুটিগল্প', 'জীৱনী' আদি সাহিত্যৰ বিভিন্ন ধাৰাসমূহৰ স্বৰূপ কেনে হোৱা উচিত সেই সম্পৰ্কে এইসকল পণ্ডিত-সমালোচকে নিজৰ নিজৰ মন্তব্য আগবঢ়াই গৈছে। পাঠ্যবিষয়টিৰ এইটো খণ্ডৰ প্ৰথম কিন্তু ক্ৰমাঙ্ক মতে নৱম অধ্যায় 'পাশ্চাত্য সামালোচনাৰ সাধাৰণ আভাস'ত পাশ্চাত্য সমালোচনাৰ ইতিহাস সম্পৰ্কে চমুকৈ আলোচনা কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পৰিৱৰ্তনশীল সময়ৰ বুকুত সৃষ্টি হোৱা বাদ-বৈচিত্ৰ্যবোৰেও সাহিত্যৰ নন্দনতাত্ত্বিক আলোচনাত প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে এই অধ্যায়টোত ধ্ৰুৱবাদ, ৰমন্যাসবাদ আৰু আধুনিকতাবাদৰ চমু পৰিচয়ো দাঙি ধৰা হৈছে।

দশম অধ্যায়টোৰ বিষয়বস্তু হ'ল কবিতা। বিভিন্ন আলোচকে কবিতা সম্পৰ্কে আগবঢ়োৱা সংজ্ঞা, কবিতাৰ প্ৰধান বিভাগসমূহ, কবিতাৰ ভাষা, চিত্ৰকল্প, প্ৰতীক, ছন্দ আৰু ইয়াৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ সৈতে সম্পৰ্কিত আন আন কেতবোৰ প্ৰয়োজনীয় দিশ এই অধ্যায়টোত আলোচনা কৰা হৈছে। একাদশ অধ্যায়ত আলোচনা কৰা হৈছে নাটক সম্পৰ্কে। শিল্পকলা বা সাহিত্যকলাৰ বিভিন্ন বিভাগবোৰৰ ভিতৰত এটি উল্লেখযোগ্য বিভাগ হ'ল নাটক। ইয়াৰ প্ৰধান স্বতন্ত্ৰ বৈশিষ্ট্যটো হ'ল দৃশ্যধৰ্মীতা। অধ্যয়ন আৰু শ্ৰৱণ কৰাৰ উপৰি চকুৰে চাই নাটক আস্বাদন কৰিব পাৰি। সেয়ে নাটকক 'দৃশ্য-শ্ৰাব্য' কলা বুলিও অভিহিত কৰা হয়। এই অধ্যায়টোত আপুনি নাটক সম্পৰ্কে বিশদভাৱে অধ্যয়ন কৰিব। উল্লেখযোগ্য যে, কবিতা আৰু নাটক সম্পৰ্কে প্ৰাচ্য কাব্য ৰসিকসকলেও গভীৰভাৱে আলোচনা কৰিছে। অধ্যয়নৰ সুবিধাৰ্থে এই পাঠ্যবিষয়ৰ কবিতা আৰু নাটকৰ আলোচনাত সেই কথাখিনিও অন্তৰ্ভুক্ত কৰা হৈছে।

দ্বাদশ আৰু ত্ৰয়োদশ অধ্যায়ৰ বিষয়বস্তু হ'ল পাশ্চাত্য সাহিত্যৰ সৃষ্টি দুটি নতুন সাহিত্যৰূপ — উপন্যাস আৰু চুটিগল্প। মানুহে জীৱনত লাভ কৰা বিভিন্ন অভিজ্ঞতা সাৰ্থকভাৱে প্ৰকাশ কৰিবলৈ যত্ন কৰাৰ ফলস্বৰূপেই সৃষ্টি হৈছে ভিন ভিন শিল্পকলাৰ। এনেদৰেই এদিন জন্ম হৈছিল এই দুটি বিশেষ সাহিত্য ৰূপ। অধ্যায় দুটিত উপন্যাস আৰু চুটিগল্পৰ লগত জড়িত বিভিন্ন দিশ সমূহৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ পৰৱৰ্তী অধ্যায়টোৰ প্ৰতিপাদ্য বিষয় হ'ল জীৱনী। জীৱনী বুলিলে আমি সাধাৰণতে কোনো ব্যক্তিবিশেষৰ জীৱনৰ কাৰ্যাৱলীৰ বিৱৰণকে বুজোঁ। অষ্টাদশ শতিকাৰ দ্বিতীয়াৰ্ধতহে সাহিত্যৰ এক স্বতন্ত্ৰ বিভাগ তথা প্ৰয়োজনীয় দিশ বুলি জীৱনীয়ে স্বীকৃতি লাভ কৰে। এই অধ্যায়টোত আপুনি জীৱনী সাহিত্যৰ লগত জড়িত বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে অধ্যয়ন কৰিবলৈ পাব। পাঠ্যবিষয়খনৰ অন্তিমটো অধ্যায়ত সমালোচনা সাহিত্য সম্পৰ্কে কিছু কথা সন্নিৱিষ্ট কৰা হৈছে। আপুনি নিশ্চয় জানে যে, সাহিত্য আলোচনাৰ ক্ষেত্ৰখনত 'সাহিত্য সমালোচনা'ও এক বিশেষ ধাৰা হিচাপে বিকশিত হৈ আহিছে। পাঠ্যবিষয়খনৰ শেষৰটো অধ্যায়ত এই বিষয়ে আপুনি সৱিশেষ অধ্যয়ন কৰিবলৈ পাব।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়ৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৱথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এইখন পাঠ্যবিষয়ৰ এইটো খণ্ডৰ লগতে পূৰ্বৱৰ্তী খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **পাশ্চাত্য সমালোচনাৰ সাধাৰণ পৰিচয়** 113–128
পাশ্চাত্য সমালোচনাৰ চমু আভাস ঃ ধ্রুৱবাদ, ৰমন্যাসবাদ, আধুনিকতাবাদ

অধ্যায় ১০ ঃ **কবিতা** 129–145
কবিতা ঃ প্রাচ্য আলোচকৰ দৃষ্টিত কবিতা, পাশ্চাত্য আলোচকৰ কবিতা সম্পর্কীয় চিন্তা; কবিতাৰ বিভাগ ঃ ব্যক্তিনিষ্ঠ বা গীতি কবিতা, বস্তুনিষ্ঠ কবিতা; কবিতাৰ ভাষা; চিত্রকল্প; প্রতীক; ছন্দ — ছন্দৰ প্রয়োজনীয়তা; কবিতাৰ উদ্দেশ্য আৰু লক্ষ্য

অধ্যায় ১১ ঃ **নাটক** 146–164
শিল্পকলা ৰূপে নাটক; নাটকৰ সংজ্ঞা; নাটকৰ উপাদান ঃ কাহিনী, চৰিত্র, সংলাপ; নাটকৰ ৰূপ-বৈচিত্র্য

অধ্যায় ১২ ঃ **উপন্যাস** 165–178
উপন্যাসৰ সংজ্ঞা; উপন্যাসৰ উপাদান; কাহিনী উপস্থাপনৰ পদ্ধতি; উপন্যাসৰ প্রকাৰ

অধ্যায় ১৩ ঃ **চুটিগল্প** 179–192
চুটিগল্পৰ সংজ্ঞা আৰু প্রকৃতি; চুটিগল্পৰ উদ্ভৱ; উপন্যাস আৰু চুটিগল্প; চুটিগল্পৰ বিষয়বস্তু; চুটিগল্পৰ ৰচনাৰীতি; চুটিগল্পৰ উপাদান; চুটিগল্পৰ শ্রেণীবিভাজন

অধ্যায় ১৪ ঃ **জীৱনী** 193–205
জীৱনীৰ স্বৰূপ; জীৱনীৰ সংজ্ঞা আৰু লক্ষণ; জীৱনীৰ শ্রেণীবিভাগ; জীৱনী ৰচনাৰ প্রক্রিয়া আৰু সমল; জীৱনীৰ সগোত্রীয় সাহিত্য

অধ্যায় ১৫ ঃ **সমালোচনা** 206–217
সমালোচনা ঃ সমালোচনাৰ ৰীতি বিভাগ

প্রসঙ্গ পুথি 218–221

বিষয় বিশেষজ্ঞ মণ্ডলী

ড^{0} শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়

ড^{0} দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড^{0} মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড^{0} মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
৯	ড^{0} জোনমণি গগৈ গুৱাহাটী
১০	ড^{0} পূর্ণ ভট্টাচার্য সহযোগী অধ্যাপক (অৱসৰপ্রাপ্ত), গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, গুৱাহাটী
১১, ১৪ আৰু ১৫	ড^{0} মৃণাল জ্যোতি গোস্বামী
১২ আৰু ১৩	ড^{0} হৰি প্রসাদ বৰুৱা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়, ঢেকিয়াজুলি

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড^{0} প্রদীপ জ্যোতি মহন্ত (অধ্যায় 10–15) অধ্যাপক (অৱসৰপ্রাপ্ত), তেজপুৰ বিশ্ববিদ্যালয়, তেজপুৰ, অসম ড^{0} মৃণাল জ্যোতি গোস্বামী (অধ্যায় 9)
গাঁথনিক সম্পাদনা	ঃ	ড^{0} মৃণাল জ্যোতি গোস্বামী
আর্হি কাকত	ঃ	ড^{0} জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ ডিচেম্বৰ, 2019 **ISBN:.....**

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭

উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

GAS S6 01 (M/P)

Exam Code: ASM6A

সাহিত্য সমালোচনা — প্রাচ্য আৰু পাশ্চাত্য

ষষ্ঠ ষাণ্মাসিক

অসমীয়া

খণ্ড - ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়